**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date : 20-10-2025**
**Time :** 1205 Hrs

***Assamese Midday Bulletin***

**---------------------------**

০০০০০০

জুবিন গাৰ্গৰ মৃত্যুৰ ঘটনাৰ তদন্তৰ বাবে আজি অসম আৰক্ষীৰ বিশেষ তদন্তকাৰী গোটৰ এটা দল ছিংগাপুৰলৈ ৰাওনা হৈছে। এছ আই টিৰ মুৰববী মুন্নাপ্ৰসাদ গুপ্তা আৰু সহকাৰী তদন্তকাৰী বিষয়া তৰুণ গোৱেলৰ দুজনীয়া দলটোৱে ছিংগাপুৰত গৈ শিল্পীগৰাকীৰ মৃত্যুৰ ঘটনাৰ তদন্ত কৰিব। এছ আই টিৰ দলটো কাইলৈ ছিংগাপুৰৰ আৰক্ষীৰ সৈতে আনুষ্ঠানিকভাৱে মিলিত হ'ব। অসম আৰক্ষীয়ে কেন্দ্ৰীয় গৃহ মন্ত্ৰালয়ৰ জৰিয়তে ছিংগাপুৰৰ এটৰ্নী জেনেৰেললৈ তদন্তত সহযোগ বিচাৰি পত্ৰ প্ৰেৰণ কৰাৰ পাছতে ছিংগাপুৰ আৰক্ষীয়ে এছ আই টিক সহযোগ কৰাৰ সেউজ সংকেত প্ৰদান কৰে। ইয়াৰ পাছতে আজি অসম আৰক্ষীৰ বিশেষ তদন্তকাৰী গোট ছিংগাপুৰলৈ ৰাওনা হৈছে।

ৰাজ্যৰ বিভিন্ন স্থানত কালি জুবিন গাৰ্গৰ মৃত্যুৰ এমাহ সম্পূৰ্ণ হোৱা উপলক্ষে মাংগলিক কাৰ্যসূচী অনুষ্ঠিত হয়।

০০০০০০

অসমবাসীৰ প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ অকাল বিয়োগে সৃষ্টি কৰা শূন্যতাৰ মাজতে ৰাজ্যৰ জনসাধাৰণে পৰম্পৰাগত ৰীতি-নীতিৰে কালী পূজা আৰু পোহৰৰ উৎসৱ দীপাৱলীৰ আয়োজন কৰিছে। এইবাৰ ৰাজ্যৰ অধিকাংশ লোকেই মাটিৰ চাকিৰে দীপান্বিতা পালন কৰি প্ৰিয় শিল্পীগৰাকীৰ প্ৰতি শ্ৰদ্ধা জনাব।

ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্যই কালীপূজা আৰু পোহৰৰ উৎসৱ দীপাৱলী উপলক্ষে ৰাজ্যৰ জনসাধাৰণৰ প্ৰতি শুভেচ্ছা জ্ঞাপন কৰাৰ লগতে পৰিৱেশৰ প্ৰতি লক্ষ্য ৰাখি দায়বদ্ধ মানসিকতাৰে উৎসৱ উদযাপন কৰিবলৈ আহ্বান জনাইছে। এই উপলক্ষে দিয়া এটা বাৰ্তাত তেওঁ কয় যে কালী পূজাই মানুহৰ মনৰ পৰা ভয় আৰু অজ্ঞানতাৰ আন্ধাৰ আঁতৰাই অন্তৰ্নিহিত শক্তিক জাগ্ৰত কৰাৰ পাঠ দিয়ে।

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই সমূহ অসমবাসীক দীপাৱলীৰ শুভেচ্ছা জ্ঞাপন কৰিছে। পোহৰৰ এই উৎসৱে সকলোৰে জীৱন আলোকময় কৰি তুলিব বুলি মুখ্যমন্ত্ৰীয়ে কামনা কৰে।

ৰাজ্যৰ প্ৰতিখন জিলাতে জাকজমকতা পৰিহাৰ কৰি আৰু পৰম্পৰা বৰ্তাই ৰাখি দীপাৱলী উদযাপন কৰিবলৈ লোৱা হৈছে।

গুৱাহাটী মহানগৰীৰ লগতে ৰাজ্যৰ ঠায়ে ঠায়ে বিক্ৰেতাসকলে অস্থায়ী বিপণী মুকলি কৰি দীপাৱলীৰ বাবে চাকি, ফটকাকে ধৰি সামগ্ৰীসমূহ বিক্ৰী কৰিছে।

বৰপেটা জিলাৰ বিভিন্ন স্থানত আজিৰ পৰা কেইবাদিনীয়া কাৰ্যসূচীৰে কালীপূজাৰ আয়োজন কৰা হৈছে। এই সন্দৰ্ভত এয়া আমাৰ জিলাখনৰ সংবাদদাতা অৰূপজ্যোতি মহন্ত।

বাইট

পাঠশালা যুৱ সমাজৰ উদ্যোগত বজালী জিলাত দুদিনীয়া কাৰ্যসূচীৰে কালী পূজাৰ আয়োজন কৰা হৈছে। এই উপলক্ষে ওজাপালি প্ৰদৰ্শন, বিশ্ব শান্তিৰ বাবে বন্তি প্ৰজ্বলন, গছপুলি ৰোপণ আদি কাৰ্যসূচী লোৱা হৈছে। শিলচৰৰ ১২৪ বছৰ পুৰণি শ্মশানঘাট কালীমন্দিৰত আজি নিশা কালী পূজা অনুষ্ঠিত হ'ব। গোৱালপাৰা জিলাৰ শ'লমাৰীৰ ঐতিহাসিক শ্ৰীশ্ৰী মা শ্যামাকালী মন্দিৰত আজিৰেপৰা তিনিদিনীয়াকৈ কালী পূজাৰ আয়োজন কৰা হৈছে। পুৱাৰেপৰা মন্দিৰত ভক্তপ্ৰাণ ৰাইজৰ ভিৰ পৰিলক্ষিত হৈছে।

০০০০০০০

ভৈয়াম জনজাতি আৰু পিছপৰা শ্ৰেণী কল্যাণ বিভাগৰ মন্ত্ৰী তথা শিৱসাগৰ জিলাৰ অভিভাৱক মন্ত্ৰী ডাঃ ৰণোজ পেগুৱে কালি শিৱসাগৰ জিলাৰ ডিমৌৰ আঠাবাৰী চাহ বাগিচাত ছিক'ল কোষ ৰোগৰ এটা পৰীক্ষণ শিবিৰ মুকলি কৰে। শিবিৰটো মুকলি কৰি দিয়া ভাষণত মন্ত্ৰীগৰাকীয়ে কয়, যে এই ৰোগ বংশানুক্ৰমিক আৰু সংক্ৰামক। জিলাখনত এতিয়ালৈ এই ৰোগৰ ৫৪ জনতকৈও অধিক ৰোগী চিনাক্ত কৰা বুলি উল্লেখ কৰাৰ লগতে তেওঁ যিকোনো ৰোগ প্ৰতিৰোধৰ বাবে সজাগ হ'বলৈও জনসাধাৰণ আহ্বান জনায়। অনুষ্ঠানত জিলা আয়ুক্ত, সহকাৰী আয়ুক্তৰ লগতে যুটীয়া স্বাস্থ্য সেৱা সঞ্চালক আৰু স্বাস্থ্য বিভাগৰ কেইবাগৰাকীও জ্যেষ্ঠ বিষয়া উপস্থিত থাকে।

০০০০০০০

কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান আৰু ব্যাঘ্ৰ সংৰক্ষিত প্ৰকল্পত শেহতীয়াকৈ কৰা চৰাই গণনাত ১৪৬ বিধ চৰাইৰ প্ৰজাতি চিনাক্ত কৰা হৈছে। 'কাতি বিহু চৰাই গণনা, ২০২৫' কাৰ্যসূচীৰ অধীনত SWAMP GRASS BABBLER আৰু PALLAS FISH EAGLE নামৰ দুটা বিপন্ন প্ৰজাতি আৰু এহেজাৰ ৯১৯ বিধ চৰাই গাইগুটীয়াভাৱে গণনা কৰা হয়। অসম চৰাই নিৰীক্ষণ নেটৱৰ্ক আৰু কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান কৰ্তৃপক্ষৰ সহযোগত এই চৰাই গণনা কৰা হয়। অগৰাতলীত সৰ্বাধিক ৮৯ বিধ প্ৰজাতি, গমিৰি আৰু পাণবাৰীত ৫৯ বিধ, পাণপুৰত ৫৫ বিধ আৰু লাওখোৱাত ৩৭ বিধ প্ৰজাতিৰ চৰাই গণনা কৰা হৈছে।

যোৱা ১৮ অক্টোবৰত অনুষ্ঠিত কাতি বিহু চৰাই গণনাৰ জৰিয়তে চৰাই নীৰিক্ষণ ব্যৱস্থাৰ প্ৰসাৰ, সংৰক্ষণৰ ক্ষেত্ৰত সজাগতা বৃদ্ধিৰ লগতে মহিলা বনৰক্ষীকৰ্মী আৰু যুৱ প্ৰজন্মক নিয়োজিত কৰি স্থানীয় জনসাধাৰণক এইক্ষেত্ৰত জড়িত কৰাৰ লক্ষ্য নিৰ্ধাৰণ কৰা হৈছে।

০০০০০০০

**সমাপ্ত**